# অসমীয়া ভাষা সাহিত্য সংস্কৃতি

## পৰম্পৰা আৰু পৰিৱৰ্তন

সম্পাদনা
বলীন ভূএলা আৰু ড° ৰীতা চেতিয়া

# অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি
## পৰম্পৰা আৰু পৰিৱৰ্তন

সম্পাদকদ্বয়
বলীন ভূঞা
ড° ৰীতা চেতিয়া

৩২ সংখ্যক পৰিশীলন পাঠ্যক্ৰম
(৩ ছেপ্তেম্বৰ, ২০১৮ ৰ পৰা ২৩ ছেপ্তেম্বৰ ২০১৮ লৈ)
মানৱ সম্পদ উন্নয়ন কেন্দ্ৰ, গুৱাহাটী বিশ্ববিদ্যালয়
গুৱাহাটী-১৪

**Asomiya Bhasa-Sahitya-Sanskriti Parampara aru Paribartan**
A collection of articles on various aspects, edited by Balin Bhuyan and Dr. Rita Chetia and published by Purbayon Publication, Satmile, Guwahati-14, Assam on behalf of 32nd Refresher Course (3rd September to 23th September, 2018); Human Resource Development Centre; Gauhati University, Guwahati

**Edition:** September, 2018 **Price :** Rs. 500/-

ISBN- 978-93-87263-77-2

**প্ৰথম প্ৰকাশঃ**
ছেপ্তেম্বৰ, ২০১৮

**বেটুপাতঃ**
সঞ্জীৱ বৰা

**গ্ৰন্থস্বত্বঃ**
সম্পাদকদ্বয়

**মূল্যঃ** ৫০০ টকা

**প্ৰকাশকঃ**
পূৰ্বায়ণ প্ৰকাশন
সাতমাইল, গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমীপত
গুৱাহাটী-১৪, অসম
Email- purbayonindia21@gmail.com
website: purbayonpublication.com
✆ ৯৮৬৪৪২২১৫৭

*All rights reserved. No part of the publication may be reproduced, stored in retrieval system or transmitted, in any form by any means without the prior permission of the copyright owner and the publisher.*
*The responsibility of the facts, opinions expressed or conclusions reached in this book is entirely that of the authors. The editors and the publishers do not bear any responsibility for them.*

# সম্পাদনা সমিতি

উপদেষ্টা : ড° যোগেন চন্দ্ৰ কলিতা; সঞ্চালক
মানৱ সম্পদ উন্নয়ন কেন্দ্ৰ
গুৱাহাটী বিশ্ববিদ্যালয়
ড° বিভা ভৰালী, বিভাগীয় মুৰব্বী
অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° কনক চন্দ্ৰ চহৰীয়া, সমন্বয়ক
৩২ সংখ্যক পৰিশীলন পাঠ্যক্ৰম
(৩ ছেপ্তেম্বৰ, ২০১৮ ৰ পৰা ২৩ ছেপ্তেম্বৰ ২০১৮ লৈ)
মানৱ সম্পদ উন্নয়ন কেন্দ্ৰ, গুৱাহাটী বিশ্ববিদ্যালয়

সম্পাদকদ্বয় : বলীন ভূঞা
ড° ৰীতা চেতিয়া

সদস্যসকল : ড° হীৰা মান্না দাস
দীপামণি বৈশ্য
ভৰজিৎ বায়ন
আৰতি বসুমতাৰী
বৰ্ণালী গোঁহাই
হিৰণ্য সভাপণ্ডিত
তুলসী সোণোৱাল
বিনীতা ভূঞা
ড° শান্তনা দুৱৰা সন্দিকৈ
ৰাজাৰাম ৰাভা
দিব্যজ্যোতি কুম্বাং

# আগকথা

ভাষা-সাহিত্য আৰু সংস্কৃতি মানৱ জাতিৰ অন্যতম শিল্প সম্পদ। পৃথিৱীৰ সকলো মানুহেই কম বেছি পৰিমাণে এই তিনিওবিধ সমলৰে সমৃদ্ধ। প্ৰত্যেকেই নিজৰ মনৰ ভাৱ-চিন্তা আৰু কলাক প্ৰধানতঃ উল্লিখিত সম্পদৰাজিৰ মাধ্যমেৰে প্ৰকাশ কৰে। দৰাচলতে ভাষা-সাহিত্য আৰু সংস্কৃতি পৰম্পৰাৰ বাহক। পূৰ্বপুৰুষসকলে পৰৱৰ্তীসকললৈ সময়ৰ লগে লগে ইয়াক হস্তান্তৰ কৰি থৈ যায়। অৱশ্যে সময় সাপেক্ষে ইয়াৰ পৰিৱৰ্তন আৰু পৰিৱৰ্দ্ধনো নঘটাকৈ নাথাকে। মানুহৰ জীৱন ধাৰণৰ সামাজিক পটভূমি, অৰ্থনৈতিক অৱস্থা, ৰাজনৈতিক পৰিস্থিতি, ধৰ্মীয় বাতাবৰণ আদি ভালেমান কাৰণত এইবোৰৰ পৰিৱৰ্তন তথা পৰিবৰ্দ্ধন ঘটা দেখা যায়। স্বীকাৰ কৰিব লাগিব, এই ভাষা-সাহিত্য আৰু সংস্কৃতিৰ পৰম্পৰাসমূহৰ জৰিয়তেই যুগে যুগে মানৱ জাতিৰো মূল্যায়ন হৈ আহিছে। যি জাতি ভাষা-সাহিত্য আৰু সংস্কৃতিত চহকী তেওঁলোকৰ চৰিত্ৰ, মন আৰু আদৰ্শও ওখ খাপৰ। জাতি এটাৰ ভাষা-সাহিত্য আৰু সংস্কৃতিয়ে যেনেকৈ তেওঁলোকৰ ইতিহাস জনাত সহায় কৰে ঠিক তেনেকৈ ই তেওঁলোকৰ চিন্তন আৰু মননৰ জগতখনো উদ্ভাসিত কৰে। ক'বই লাগিব পৃথিৱীৰ অন্যান্য ঠাইৰ দৰেই ভাৰতীয়সকলৰ যি মেধা আৰু মনীষা তাক আজিও ভাষা-সাহিত্য আৰু সংস্কৃতিয়েই পোহৰাই আছে। গতিকে পৰিষ্কাৰ কথা, ভাষা-সাহিত্য আৰু সংস্কৃতি মানৱ সভ্যতাৰ সৰ্বোত্তম সৃষ্টি। পৰম্পৰাৰ এই চিৰন্তন প্ৰবাহৰ যেনেদৰে ক্ৰমশঃ উত্তৰণ ঘটে ঠিক তেনেকৈ কেতিয়াবা আকৌ ইয়াত স্থবিৰতায়ো দেখা দিয়ে। সেয়ে কোনো এটা জাতিৰ ভাষা-সাহিত্য আৰু সংস্কৃতিৰ অধ্যয়ন নিতান্তই প্ৰয়োজনীয়। তদুপৰি অধ্যয়ন, অধ্যাপনা আৰু গৱেষণাৰে এটা জাতিক সুন্দৰ ভৱিষ্যতৰ পিনে আগবঢ়াই নিবলৈ হ'লেও সেই জাতিৰ ভাষা-সাহিত্য আৰু সংস্কৃতিৰ অতীত আৰু বৰ্তমানক জনাটোও অত্যন্ত গুৰুত্বপূৰ্ণ। নক'লেও হ'ব, তেনে এক উদ্দেশ্য আৰু লক্ষ্য আগত ৰাখিয়েই গুৱাহাটী

বিশ্ববিদ্যালয়ৰ মানৱ সম্পদ বিকাশ কেন্দ্ৰৰ তত্ত্বাৱধান অসমীয়া বিভাগৰ দ্বাৰা বিগত ৩ ছেপ্তেম্বৰ, ২০১৮ ৰ পৰা ২৩ ছেপ্তেম্বৰ, ২০১৮ পৰ্যন্ত এই একৈশদিনীয়া পৰিশীলন পাঠ্যক্ৰম অনুষ্ঠিত কৰা হৈছে আৰু এই পাঠ্যক্ৰমৰ অধ্যয়ন, অধ্যাপনা আৰু গৱেষণাৰ ফলশ্ৰুতিয়েই হ'ল "অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি ঃ পৰম্পৰা আৰু পৰিৱৰ্তন" শীৰ্ষক এই সংকলনখন। পাঠ্যক্ৰমত অংশগ্ৰহণ কৰা অধ্যাপক-অধ্যাপিকাসকলৰ উপৰিও বিষয় বিশেষজ্ঞ আৰু সমন্বয়ককে ধৰি প্ৰায় তিনিকুৰি অধ্যাপক-অধ্যাপিকাৰ লেখনিৰে এই গ্ৰন্থখন প্ৰস্তুত কৰা হৈছে। দিনে চাৰিটাকৈ বিষয়ৰ পাঠ গ্ৰহণৰ ব্যস্ততাৰ মাজত থাকিও মাত্ৰ কুৰিটা দিনতে অংশগ্ৰহণকাৰী অধ্যাপক-অধ্যাপিকাসকলে এনে এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ প্ৰস্তুত কৰা বাবে তেওঁলোকৰ এই সাধু আৰু সৎ প্ৰচেষ্টাৰ শলাগ ল'বই লাগিব।

এই ক্ষেত্ৰত মানৱ সম্পদ বিকাশ কেন্দ্ৰৰ মাননীয় সঞ্চালক অধ্যাপক ড° যোগেন চন্দ্ৰ কলিতা আৰু অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান ড° বিভা ভৰালীৰ দিহা-পৰামৰ্শ নিত্যান্তই স্বীকাৰ্য্য। খৰতকীয়া সম্পাদনাৰ বাবে গ্ৰন্থখনত ভুল-ত্ৰুটি থকাটো স্বাভাৱিক। তথাপি পাঠ্যক্ৰমৰ লগত সংগতি ৰাখি এনে এখন আলোচনামূলক গ্ৰন্থ আমাৰ হাতত তুলি দিয়াৰ বাবে সম্পাদকদ্বয় অধ্যাপক বলীন ভূঞা আৰু ড° ৰীতা চেতিয়াকো ধন্যবাদ নিদি নোৱাৰিলোঁ।

অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ পৰম্পৰা আৰু পৰিৱৰ্তন সম্পৰ্কে আলোচিত এই সংকলনটোৱে অধ্যয়ন, অধ্যাপনা আৰু গৱেষণাত সকলোকে কিঞ্চিৎ পৰিমাণে দিগ্‌দৰ্শন কৰিলেও আমাৰ উদ্দেশ্য সফল হোৱা বুলি ভাবিম।

শ্ৰদ্ধাৰে

(ড° কনক চন্দ্ৰ চহৰীয়া)
সমন্বয়ক
৩২ তম পৰিশীলন পাঠ্যক্ৰম (অসমীয়া বিভাগ)
মানৱ সম্পদ বিকাশ কেন্দ্ৰ, গুৱাহাটী বিশ্ববিদ্যালয়
২০১৮

# সম্পাদকীয়

ঊনবিংশ শতিকাৰ শেষৰ ফালে আধুনিকতাৰ ফেহুঁজালিত গা-টঙোৱা অসমীয়া ভাষা সাহিত্যই আজি একবিংশ শতিকালৈ যথেষ্ট নহ'লেও বহুযোজন বাট অতিক্ৰম কৰিলে। এই পৰিক্ৰমাত অসমীয়া সমাজ জীৱনৰ চিন্তা-চেতনাক পাৰিপাৰ্শ্বিকতাই অৱধাৰিতভাৱে সমৃদ্ধ কৰিছে। তাৰ প্ৰতিফলন সমকালীন ভাষা-সাহিত্য আৰু সংস্কৃতিৰ জগতখনত বিদ্যমান। একালত কেৱল ধৰ্মীয় পৰিমণ্ডলৰ মাজত আৱদ্ধ আমাৰ ভাষা-সাহিত্যই আজি আধুনিকতাৰ পোছাক পিন্ধি জগত সভালৈ যাবলৈ ওলাইছে। ইউনিক'ডত অসমীয় ভাষা চৰ্চাৰ প্ৰশ্নই সম্প্ৰতি বৌদ্ধিক মহল তোলপাৰ লগাইছে।

ভাষা সংস্কৃতিৰ পৰিপ্ৰকাশক। এটা জাতিৰ জাতীয় চৈতন্যৰ প্ৰকাশ আৰু প্ৰৱাহ ভাষাৰ মাজেদিহে সম্ভৱ হয়। সমৃদ্ধিশালী জাতিৰহে ঐশ্বৰ্য্যশালী ভাষা থাকে। বৰ্তমান বিশ্বৰ সৰ্বত্ৰ বিস্তাৰিত শব্দ বিশ্বায়নে ভাষা-সাহিত্য-সংস্কৃতিৰ দেশে-দেশে বিৰাজমান বিচিত্ৰতাৰ বৰ্ণিল পৰিক্ৰমাত যতি পেলাই, ৰাষ্ট্ৰৰ পৰিধি ভাঙি এক ৰাষ্ট্ৰ-এক ভাষা-এক সংস্কৃতিৰ বাণী লৈ সংগোপনে এক আধিপত্যবাদী শক্তিৰ প্ৰতিষ্ঠাত আগবাঢ়িছে। এফালে আধিপত্যবাদী এই শক্তিৰ আগ্ৰাসনে সমাজ-সংস্কৃতিলৈ আনি দিয়া ক্ষিপ্ৰ পৰিৱৰ্তন আৰু আনফালে দেশে-দেশে আত্ম পৰিচিতি, ঐতিহ্য উদ্ধাৰ আৰু সংৰক্ষণৰ তীব্ৰ আন্দোলন। এই দ্বান্দ্বিক পৰিবেশত পৃথিৱীৰ কোনো মানুহেই এতিয়া নিৰপেক্ষতাৰ সুৰক্ষিত স্থানত অৱস্থান কৰিব নোৱাৰে। তথাকথিত আধুনিকতাই আনি দিয়া ৰঙচঙীয়া ভোগ সৰ্বস্ব জীৱনশৈলীত অভ্যস্ত হৈ লোক-ভাষা, লোক-সংস্কৃতিৰ প্ৰসূতি গৃহ গ্ৰাম্য জীৱনো পৰিৱৰ্তনৰ সহযাত্ৰী হৈছে। সময়ৰ সাম্ভাব্য কৈফিয়ৎ তলবৰ ভয়ত ঐতিহ্য আৰু পৰম্পৰাই যেন আঁঠু লৈছে বিশ্বায়নৰ সন্মুখত।

এনে এক সন্ধিক্ষণত গুৱাহাটী বিশ্ববিদ্যালয়ৰ মানৱ সম্পদ উন্নয়ন কেন্দ্ৰত ৩২ সংখ্যক অসমীয়া বিষয়ৰ পৰিশীলন পাঠ্যক্ৰমৰ বাবে 'অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি ঃ পৰম্পৰা আৰু পৰিৱৰ্তন'ক মূল বিষয় হিচাপে লোৱাটোৱে সময়োপযোগী আৰু বিশেষ গুৰুত্ব বহন কৰিছে। শদিয়াৰ পৰা ধুবুৰীলৈকে অসমৰ দুখন বিশ্ববিদ্যালয় আৰু ৫৫ খন মহাবিদ্যালয়ৰ মুঠ ৫৭ গৰাকী অধ্যাপক-অধ্যাপিকাই অংশগ্ৰহণ কৰা এই পাঠ্যক্ৰমত মূল বিষয়ৰ লগত সংগতি ৰাখি একোটিকৈ মৌলিক লেখাৰে এই গ্ৰন্থখন সমৃদ্ধ কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ মানৱ সম্পদ উন্নয়ন কেন্দ্ৰৰ মাননীয় সঞ্চালক ড° যোগেন চন্দ্ৰ কলিতা আৰু পাঠ্যক্ৰমটিৰ সমন্বয়ক শ্ৰদ্ধাৰ ড° কনক চন্দ্ৰ চহৰীয়া দেৱৰ মৰমৰ তাগিদা অবিহনে গ্ৰন্থখনৰ জন্ম সম্ভৱ হৈ নুঠিলহেঁতেন। আমি দুয়োগৰাকী শ্ৰদ্ধাৰ শিক্ষাগুৰুলৈ প্ৰথমতেই শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। গ্ৰন্থখনিৰ পাতনি আৰু এটি গুৰুত্বপূৰ্ণ লেখাৰে গ্ৰন্থখনিৰ প্ৰাণ সঞ্চাৰ কৰা শ্ৰদ্ধাৰ সমন্বয়ক মহোদয় ড° কনক চন্দ্ৰ চহৰীয়া দেৱ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° বিভা ভৰালী মহোদয়াই এটি সময়োপযোগী গুৰুত্বপূৰ্ণ লেখাৰে গ্ৰন্থখনিৰ অনন্য মাত্ৰা দিলে। আমি দুয়োগৰাকী নমস্য শিক্ষাগুৰুলৈ আমাৰ কৃতজ্ঞতা আৰু শ্ৰদ্ধা জনালোঁ। আমাৰ সৌভাগ্য যে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বৰ্তমান সময়ত ভাষা-সাহিত্য-সংস্কৃতিৰ পৰম্পৰা আৰু পৰিৱৰ্তনৰ নতুন নতুন দিশক উন্মোচিত কৰিব পৰাকৈ মুঠ ৫৭ গৰাকী সচেতন অধ্যাপক-অধ্যাপিকাৰ লেখা আমি থাওকতে গোটাব পাৰিছোঁ। পাঠ্যক্ৰমত অংশগ্ৰহণকাৰী প্ৰতিগৰাকী সতীৰ্থলৈ আমাৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ পূৰ্বায়ন প্ৰকাশনৰ স্বত্বাধিকাৰী ভাতৃসম উদ্যোগী যুৱক অমৃত কুমাৰ উপাধ্যায় ডাঙৰীয়াক। প্ৰায় তিনিকুৰি প্ৰবন্ধ লেখা মাত্ৰ কুৰি দিনৰ ভিতৰতে ছপা ৰূপ দিয়াটো যথেষ্ট কষ্টকৰ। ছপা কামৰ লগত জড়িত প্ৰতিগৰাকী কলা-কুশলীলৈ আমাৰ কৃতজ্ঞতা জনালোঁ।

সম্পাদনা এটা দুৰূহ কাম। তাতে মাত্ৰ একুৰি এটা দিনৰ বাবে বিশেষ এটা পাঠ্যক্ৰমৰ অজুহাতত লগ হোৱা এমুঠি সতীৰ্থৰ লেখাৰে সমৃদ্ধ কৰি। পাঠ্যক্ৰমৰ প্ৰাত্যহিক আটিল কৰ্মসূচী সম্বলিত দিনপঞ্জীৰ মাজত সুৰুঙা উলিয়াই প্ৰায় চাৰিশ পৃষ্ঠাৰ এখন গ্ৰন্থ ভ্ৰান্তিহীন সাকাৰ ৰূপ দিয়াটো আচলতে খোৱাৰ পৰ্বতাৰোহণ সদৃশ। তথাপিতো শ্ৰদ্ধাৰ সতীৰ্থসকলে আমাৰ প্ৰতি দেখুওৱা এই আস্থা আৰু মৰমৰ তাগিদাক সাহস আৰু প্ৰেৰণা হিচাপে লৈ সম্পাদনাৰ দায়িত্ব বহন কৰিবলৈ চেষ্টা কৰিছোঁ। ভুল-ভ্ৰান্তি স্বাভাৱিক; তাৰ বাবে আমি আপোনাসৱৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। সদৌশেষত গ্ৰন্থ সম্পাদনাৰ বাবে গঠিত হোৱা সম্পাদনা সমিতিখনৰ প্ৰতিগৰাকী মাননীয় সতীৰ্থলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিভিন্ন দিশত তেখেতসকলৰ মূল্যবান দিহা-পৰামৰ্শই আমাক সমৃদ্ধ কৰিছে।

আমি আশাবাদী- লুইতৰ পাৰ জিলিকাই তোলাৰ শপত লোৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্যতম অংগ মানৱ সম্পদ উন্নয়ন কেন্দ্ৰৰ দ্বাৰা পৰিচালিত এই ধৰণৰ পৰিশীলন পাঠ্যক্ৰমৰ সময়ত গ্ৰন্থ প্ৰকাশৰ ধাৰা সঞ্চালনী ৰূপত বৈ থাকিব। সদৌশেষত পুনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষ আৰু পৰিয়াললৈ আমাৰ শ্ৰদ্ধা জ্ঞাপন কৰি সংশ্লিষ্ট সকলো পক্ষলৈ আমাৰ সেৱা জনাই ভুল-ত্ৰুটিৰ ক্ষমা-মাৰ্জনা প্ৰাৰ্থনা কৰিলোঁ।

ইতি—

শ্ৰদ্ধাৰে

সম্পাদকদ্বয়

বলীন ভূঞা

ড° ৰীতা চেতিয়া

# সূচীপত্ৰ

## ভাষা


লক্ষ্মীনাথ বেজবৰুৱাৰ 'পদুমকুঁৱৰী' উপন্যাসৰ কথনৰীতি /১৫

✍ ড° বিভা ভৰালী

অসমীয়া লোক-সাহিত্যৰ পৰম্পৰাত মহাভাৰতীয় ঐক্য আৰু চেতনা /২৩

✍ ড° কনক চন্দ্ৰ চহৰীয়া

অসমীয়া লোকভাষা ঃ পৰম্পৰা আৰু পৰিবৰ্তন /৩২

✍ পদ্মকুমাৰী গঁগৈ

অসমীয়া ভাষাৰ শব্দভঁৰাল ঃ চলতিৰূপ /৪০

✍ ড° মালবিকা ভট্টাচাৰ্য্য

বিশ্বায়ন ঃ অসমীয়া ভাষাৰ পৰম্পৰা আৰু পৰিবৰ্তন /৪৪

✍ বলীন ভূঞা

উত্তৰ-পূৰ্বাঞ্চলৰ ভাষিক বৈচিত্ৰ্য আৰু সামাজিক সংহতি নিৰ্মাণত ইয়াৰ ভূমিকা /৫০

✍ মালামণি দাস

অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত অসমীয়া ভাষা ঃ পৰম্পৰা আৰু পৰিবৰ্তন /৫৫

✍ ড° তৰুণ চন্দ্ৰ ৰায়

শিৱসাগৰৰ পৰা প্ৰকাশিত অসমীয়া ভাষাৰ প্ৰথম সংবাদপত্ৰ 'অৰুনোদই'ৰ শব্দভাণ্ডাৰ /৬৩

✍ ৰঞ্জিত হাজৰিকা

জ্যোতিপ্ৰসাদ আগৰৱালাৰ সময়ৰ অসমীয়া ভাষা পৰম্পৰা আৰু একবিংশ শতিকাত ইয়াৰ পৰিৱৰ্তিত ৰূপ /৭৬

✍ ডঃ ডালিমা কাকতি


## সাহিত্য


অসমীয়া সাহিত্য ঃ পৰম্পৰা আৰু পৰিৱৰ্তন /৮১

✍ বিনীতা ভূঞা

শঙ্কৰদেৱৰ নাটক ঃ ঐতিহ্য আৰু উত্তৰণ /৮৮

✍ ড° সত্য শইকীয়া

বেদান্ত দৰ্শন আৰু কীৰ্ত্তন ঘোষা /৯৫

✍ ভৱজিৎ বায়ন

অসমীয়া চুটি গল্প ঃ ঐতিহ্য আৰু বিৱৰ্ত্তন /১০০

✍ কন্দৰ্প পাঠক

আধুনিক অসমীয়া সংগীতৰ ভেটি নিৰ্মাণত জ্যোতি সংগীত /১০৬
ড° মামুন কলিতা
জ্যোতিপ্ৰসাদ আগৰৱালাৰ কবিতাত সমকালীন জাতীয় চেতনা ঃ এক আলোকপাত /১১১
ৰনজীতা শইকীয়া
বিষ্ণু প্ৰসাদ ৰাভাৰ গীত আৰু কবিতাত পুৰাণ প্ৰসঙ্গ ঃ এক বিশ্লেষণ /১২০
নয়নজ্যোতি ভূঞা
নকুল চন্দ্ৰ ভূঞাৰ কবিতা /১২৯
ড° ৰীতা চেতিয়া
মামণি ৰয়ছম গোস্বামীৰ চুটি গল্প ঃ এটি আলোচনা /১৩৮
শাৰদী কোঁৱৰ
অৰূপা পটঙ্গীয়া কলিতাৰ উপন্যাস 'ফেলানী'ৰ গদ্যশৈলী ঃ এক চমু অৱলোকন /১৪৩
দীপামণি বৈশ্য
'ব'ৰাগী নদীৰ ঘাট'উপন্যাসত পৰম্পৰা আৰু পৰিবৰ্তন ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন /১৫৫
শীলা সোণোৱাল
অসমীয়া উপন্যাসত পুৰাকথাৰ পুনৰনিৰ্মাণ /১৬৩
তপন চন্দ্ৰ নাথ
আধুনিক অসমীয়া নাটকত লোকসমল আৰু ধ্ৰুপদী নাট্যৰীতিৰ পৰম্পৰা আৰু ৰূপান্তৰ /১৭০
হিৰণ্য সভাপণ্ডিত
একবিংশ শতিকাৰ প্ৰথম দশকত প্ৰকাশিত নতুন গল্পকাৰৰ গল্পসংকলন ঃ এক আলোচনা /১৮০
দীপুমণি গগৈ
স্বাধীনোত্তৰ কালৰ অসমীয়া নাট্য পৰম্পৰাত স্বকীয়তা অন্বেষণকাৰী নাট্যকাৰ আলি হাইদৰ /১৮৬
অনুৰূপা চুতীয়া

## সংস্কৃতি

নতুন সমাজ সংগঠক শঙ্কৰদেৱ /১৯৩
কবিতা বৰদলৈ
শঙ্কৰদেৱ আৰু অসমীয়া সংস্কৃতি /১৯৬
মেঘালী দত্ত
সাধুকথাত অসমীয়া লোকসমাজৰ পৰম্পৰা আৰু পৰিবৰ্তন /২০৩
নিৰুপমা বড়া
সাধুকথা আৰু অসমীয়া লোকজীৱন ঃ পৰম্পৰা আৰু পৰিৱৰ্তন /২০৮
ড° নয়নমণি বৰুৱা
বিহুগীতত ইংৰাজ শাসন আৰু স্বাধীনতা আন্দোলনৰ প্ৰতিফলন /২২০
ড° দীপালি গগৈ
বহুৰঙী গীতত নাৰী জীৱনৰ চিত্ৰ ঃ এটি চমু আলোচনা /২২৮
ৰাজা ৰাম ৰাভা
হাজো অঞ্চলৰ মৌখিক গীত-মাত /২৩৪
ড° ৰুমী কলিতা দাস
অসমীয়া লোক-সাহিত্যৰ অনন্য ৰূপ 'বিয়ানাম'ত অলংকাৰৰ প্ৰয়োগ /২৪৪
ড° শান্তনা দুৱৰা সন্দিকৈ
অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত মৈষাল আৰু মাহুতৰ গীতঃ পৰম্পৰা আৰু পৰিৱৰ্তন /২৫২
মঞ্জুলা দাস
অসমীয়া সংস্কৃতিত অই নিঃতম ঃ পৰম্পৰা আৰু পৰিৱৰ্তন /২৫৯
দিব্যজ্যোতি কুম্বাং
মিচিং অইনিঃতম্‌ৰ পৰম্পৰা আৰু পৰিৱৰ্তনঃ এটি অধ্যয়ন /২৭০
ড°বিনীতা মৰাং
ৰঙালী বিহু ঃ পৰম্পৰা আৰু পৰিৱৰ্তন /২৮১
ড° ৰীতা ৰাণী বৰ্মন
বসন্ত উৎসৱৰ স্থিতিপে বৰপেটা আৰু দৰঙৰ দৌলোৎসৱ ঃ এটি তুলনামূলক চমু অৱলোকন /২৮৭
বনজিৎ তহবিলদাৰ
অসমৰ জন্ম সম্পৰ্কীয় লোকাচাৰ /২৯৫
কাবেৰী তালুকদাৰ
অসমীয়া পৰম্পৰাগত খাদ্যসম্ভাৰ আৰু ইয়াৰ পৰিৱৰ্তন /২৯৮
আৰতি বসুমতাৰী
অসমীয়া পৰম্পৰাগত খাদ্যসম্ভাৰ আৰু পৰিৱৰ্তন ঃ এক চমু আলোকপাত /৩০৩
পৰমেশ্বৰী দাস
অসমীয়া সমাজৰ খাদ্য ঃ পৰম্পৰা আৰু পৰিৱৰ্তন /৩০৯
যুথিকা তালুকদাৰ
টাই আহোমসকলৰ খাদ্য-সম্ভাৰ ঃ পৰম্পৰা আৰু পৰিৱৰ্তন /৩১৫
বৰ্ণালী গোহাঁই
টুৰুং জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্যাভাস ঃ এটি আলোচনা /৩২২
ড° ৰুমী খালেন

সাম্প্ৰতিক সময়ত ভৈয়াম কাৰ্বি জনগোষ্ঠীৰ লোক সংস্কৃতি ঃ এটি অধ্যয়ন /৩২৮
✍ ৰুমি দলৈ
মৰাণ জনগোষ্ঠীৰ সাংস্কৃতিক স্বকীয়তা /৩৪০
✍ মৃদুল দহোটীয়া
মিচিং জনগোষ্ঠীৰ কৃষিভিত্তিক উৎসৱ পঃবাগ ঃ পৰম্পৰা আৰু পৰিৱৰ্তন /৩৪৮
✍ ড° পলিশ্ৰী পেগু
যোৰহাট জিলাৰ অসমীয়া হিন্দু সমাজৰ 'তোলনি বিয়া'ৰ পৰম্পৰা /৩৫৫
✍ ৰীতামণি বৰা
অসমৰ খেল-ধেমালি ঃ পৰম্পৰা আৰু পৰিৱৰ্তন /৩৬০
✍ কৰবী বৈশ্য
অসমৰ লোক সম্পদসমূহৰ ঐতিহ্য আৰু পৰিৱৰ্তন /৩৬৬
✍ গীতাঞ্জলি খাটনীয়াৰ
অসমীয়া লোক সংস্কৃতিত লোকবাদ্য /৩৭১
✍ মীনা কাকতি
অসমীয়া সংস্কৃতিত তামোল-পাণঃ পৰম্পৰা আৰু পৰিৱৰ্তন /৩৭৭
✍ দৰ্পনা চৌধুৰী
অসমীয়া সংস্কৃতিত ৰান্ধনিশাল আৰু ঢেঁকীশাল ঃ পৰম্পৰা আৰু পৰিৱৰ্তন /৩৮৪
✍ ৰিংকুমনি দাস
কাৰ্বি সংস্কৃতিত বাঁহ ঃ পৰম্পৰা আৰু পৰিৱৰ্তন /৩৯০
✍ ড° হীৰা মান্না দাস
অসমৰ সোনোৱাল কছাৰীসকলৰ লোক-নাট্যানুষ্ঠান হুঁৰা নাচ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন /৩৯৮
✍ তুলসী সোনোৱাল
পাতি ৰাভাসকলৰ পৰিৱেশ্য কলা তুকুৰীয়া ওজাপালি ঃ পৰম্পৰা আৰু পৰিৱৰ্তন /৪১৩
✍ দীপিকা ৰাভা
হুঁচৰি ঃ পৰম্পৰা আৰু পৰিৱৰ্তন /৪২৩
✍ জয়ন্তজিৎ দাস
কামৰূপীয়া ঢুলীয়া ঃ পৰম্পৰা আৰু পৰিৱৰ্তন /৪২৯
✍ নিতুমণি দাস
হাজঙৰ জাখামাৰা গাহেন ঃ এটি লোক পৰিৱেশ্য কলাৰ পৰম্পৰাগত বৈশিষ্ট্য আৰু পৰিৱৰ্তন /৪৩৪
✍ গুনদা দাস
অসমৰ যাত্ৰা ঃ পৰম্পৰা আৰু পৰিৱৰ্তন /৪৪৩
✍ ড° ৰূপলেখা ঠাকুৰীয়া বনিয়া

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি
পৰম্পৰা আৰু পৰিৱৰ্তন
ISBN- 978-93-87263-77-2

# আধুনিক অসমীয়া নাটকত লোকসমল আৰু ধ্ৰুপদী নাট্যৰীতিৰ পৰম্পৰা আৰু ৰূপান্তৰ

ড° হিৰণ্য সভাপণ্ডিত*

**প্ৰস্তাৱনা ঃ**

সংমিশ্ৰিত জন-গাঁথনিপূৰ্ণ পূৰ্বোত্তৰ ভাৰত লোক-সংস্কৃতিৰ যাদুঘৰ (Museum) স্বৰূপ। লোকসংস্কৃতিৰ বৈবিধ্যময় সমলেৰে ভাৰতৰ সাংস্কৃতিক মানচিত্ৰত অসম তথা উত্তৰ-পূৰ্বাঞ্চল পুৰাতন সময়ৰে পৰা উজলি আহিছে। বিশেষকৈ লোকপৰিৱেশ্য কলা (Performing Folk Art)ৰ ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলে ভাৰতীয় প্ৰেক্ষাপটত এক উল্লেখনীয় আসন আৰু মৰ্যাদা লাভ কৰি আহিছে। ভৰতৰ নাট্যশাস্ত্ৰতো নাট্যৰ চাৰি প্ৰকাৰৰ বৃত্তিৰ কথা উল্লেখ আছে— দাক্ষিণাত্য, আৱন্তী, পাঞ্চালী আৰু ওড্ৰ-মাগধী। পণ্ডিত সমাজে এই ওড্ৰ-মাগধীয়ে প্ৰাগজ্যোতিষপুৰীয়া লোকনাট্য কলাক সূচায় বুলি মন্তব্য কৰিছে।[১] ইয়াৰ উপৰিও প্ৰাচীন কামৰূপৰ লোকনাট্যৰ ঐতিহ্য সম্পৰ্কে খৃষ্টীয় প্ৰথম শতিকামানতে ৰচিত 'হস্ত্যায়ুৰ্বেদ' গ্ৰন্থৰ যোগেদি অৱগত হ'ব পাৰি।[২] সেয়েহে আধুনিক নাটকত লোকসমলৰ প্ৰভাৱ অধ্যয়নৰ বিষয়টো স্বৰূপতে ব্যাপক। এই বিষয়টোৱে লোকপৰিৱেশ্য কলাৰীতিৰ অৰ্ন্তগত লোকনাট্য (Folk Drama) লোকসংগীত (Folk Music) লোকনৃত্য (Folk Dance) ক সামৰি লোৱাৰ উপৰিও বিভিন্ন জনজাতীয় আৰু অজনজাতীয় লোকসকলৰ ভৌতিক (Material) আৰু অভৌতিক (Non-

*সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, লক্ষীমপুৰ বালিকা মহাবিদ্যালয়
Email- hiranya1974@gmail.com



material) লোককলাৰ চহকী সম্পদ সমূহকো সামৰি লয়। তেওঁলোকৰ পুৰাকথা, লোককথা, পোছাক-পৰিচ্ছদ, কৃষিপ্ৰণালী, খাদ্যাভাস, সমৰকলা, জনবিশ্বাস, ৰংগ-উৎসৱ, অস্ত্ৰ-মন্ত্ৰ, শাও-শপনি, পূজা-সেৱা ইত্যাদি নানানটা লোক সাংস্কৃতিক সমলো ইয়াৰ অৰ্ন্তভুক্ত হয়।

**লোকসমলৰ পোহৰত ভাৰতীয় নাট্যৰ ঐতিহ্য ঃ**

এই কথা সৰ্বজন বিদিত যে ক্লাছিকেল ভাৰতীয় নাট্যৰ আৰ্বিভাবৰ পূৰ্বে লোকসমাজত বিনোদনৰ মাধ্যম হিচাপে লোকনাট্যই এক বিশেষ ভূমিকা পালন কৰি আহিছিল। আঞ্চলিক ভেদাভেদ আৰু বাচনিক বৈসাদৃশ্য থকা স্বত্বেও ভিন্নপ্ৰান্তীয় লোকনাট্যসমূহে অন্তৰ্লীন যোগসূত্ৰেৰে এক মহাভাৰতীয় চৰিত্ৰ লাভ কৰিছিল। সেয়েহে নাট্যতত্ত্ববিদসকলৰ অভিমত এয়ে যে তদানীন্তন শক্তিশালী লোকনাট্যধাৰাটোৰ ভেটিতেই ভৰতৰ 'নাটশাস্ত্ৰ'ৰো সৃষ্টি হৈছিল। পৰৱৰ্ত্তী সময়ত সংস্কৃত নাটকসমূহত প্ৰভুত পৰিমাণে গৃহীত হোৱা লৌকিক আচাৰ-অনুষ্ঠানৰ কথাটোৱে এই সত্যক প্ৰতীয়মান কৰায়। লৌকিক উৎসৱৰ প্ৰাধান্যৰে ৰচিত হোৱা ভৱভূতিৰ নাটক সমূহেই ইয়াৰ এক উজ্বল দৃষ্টান্ত। 'ভাৰতীয় থিয়েটাৰ' গ্ৰন্থৰ প্ৰনেতা আদ্যৰংগাচাৰ্যই ভাৰতীয় ক্লাছিকেল থিয়েটাৰে কিদৰে লোকসমাজৰ সামাজিক-সাংস্কৃতিক-অৰ্থনৈতিক জীৱনৰ লগত সংগতি ৰাখি ইয়াৰ বিকাশৰ বাট তৈয়াৰ কৰিছিল, তাৰ এক আলোচনা আগবঢ়াইছে। শূদ্ৰকৰ 'মৃচ্ছকটিক' নাটকত লোকসমাজৰ এক প্ৰভাৱশালী চিত্ৰন লক্ষ্য কৰিব পাৰি। ইয়াত শকাৰ চৰিত্ৰটোক গ্ৰামীন ৰসযুক্ত কৰি গঢ়ি তোলা হৈছে। সেইদৰে লোকনাট্য পৰম্পৰাৰ আধাৰতে আমি চাৰণ, সূত্ৰধাৰ, ওজা আদি চৰিত্ৰৰ লগত পৰিচিত হওঁ।[৩]

**মধ্যযুগীয় ভক্তি আন্দোলনত লোকনৃত্য-নাট্যৰ স্থান ঃ**

ভাৰতীয় ভক্তি আন্দোলনৰ পটভূমিতো লোকনাট্যৰ প্ৰভুত গুৰুত্ব লক্ষ্য কৰিব পাৰি। মূলতঃ ধৰ্মীয় আদৰ্শ প্ৰচাৰেই এই ভক্তি আন্দোলনৰ মুখ্য উদ্দেশ্য আছিল যদিও মহাপুৰুষ শংকৰদেৱকে আদি কৰি ভাৰতীয় সন্তসকলে নিজ নিজ প্ৰান্তীয় ভাষাৰ লোকসমাজৰ গীত-মাতক মাধ্যম স্বৰূপে গ্ৰহণ কৰি এক সাংস্কৃতিক আন্দোলন গঢ় দি তুলিছিল। তেখেতসকলে ভক্তি আন্দোলনক জনমুখী কৰি গঢ়ি তুলিবলৈ সংস্কৃত নাট্যৰীতিৰ লগতে লোকনাট্যৰো কাষ চাপিছিল। লোকনাট্যৰ পৰম্পৰা অনুযায়ী সৰ্বসাধাৰণৰ মনোৰঞ্জনাৰ্থে গীত-মাত আৰু অভিনয় পৰিৱেশনৰ ব্যৱস্থা কৰিছিল। কথিত ভাষাত থকা লোকনাট্যৰ বহুতো উপাদান তেখেতসকলৰ ৰচনাৰাজিৰ মাজত স্বৰূপতে সোমাই পৰিছিল। শংকৰদেৱৰ 'অংকীয়া ভাওনা', চৈতন্যদেৱৰ 'কৃষ্ণকীৰ্তন', জয়দেৱৰ 'গীতগোবিন্দ', গোস্বামী তুলসীদাসৰ 'ৰামলীলা, বল্লভাচাৰ্যৰ 'কৃষ্ণলীলা', মণিপুৰৰ 'লাইহাৰোৱা, মহাৰাষ্ট্ৰৰ 'তামচা', তামিলনাডুৰ 'ভগৱত মেলা', কৰ্ণাটকৰ ' যক্ষগান',

অন্ধ্ৰপ্ৰদেশৰ 'হৰিকথা' আদিলৈ মন কৰিলে ধৰ্মীয় আদৰ্শ সম্প্ৰচাৰৰ বাবে লোকনাট্যৰ সাহায্যৰ কথা অনুধাবন কৰিবলৈ একো অসুবিধা নহয়। লোকসমাজৰ সন্মুখত মুক্ত আখলত গীতিময় বৰ্ণনা, লয়লাসপূৰ্ণ নৃত্যভংগী আৰু অভিনয়ৰ যোগেদি এইবোৰে ভক্তিমূলক কাহিনী পৰিৱেশন কৰিছিল।[৪]

**উনবিংশ শতিকাৰ পাশ্চাত্য নাট্যৰীতি আৰু লোকনাট্যশৈলীৰ সংযুক্তি ঃ**

বৃটিছ সম্ৰাজ্য ভাৰতত গজগজীয়া হোৱাৰ পৰৱৰ্তী সময়ত উনবিংশ শতিকাৰ মধ্যভাগৰ পৰা কলিকতা মহানগৰীত 'প্ৰচিনিয়াম' মঞ্চ স্থাপনেৰে পাশ্চাত্য নাট্যৰীতি আশ্ৰিত ভাৰতীয় নাটকত আধুনিকতাৰ সঞ্চাৰ ঘটে। কিন্তু বিচাৰ্য বিষয়া এয়ে যে ভাৰতত পাশ্চাত্য আধুনিক নাট্যৰীতিৰ সেই উদ্ভৱকালীন সময়তে আধুনিক ভাৰতীয় নাটকত পৰম্পৰাগত নাট্য উপাদান প্ৰয়োগৰো সমান্তৰাল প্ৰচেষ্টা এটাই গা কৰি উঠিছিল। বিষ্ণু দাস ভাবেৰ প্ৰথম আধুনিক মাৰাঠী নাটক 'সীতা সয়ম্বৰ' (১৮৪৩)ত লোকনাট্য 'যক্ষগান' পৰিৱেশনৰ ৰীতি গৃহীত হৈছিল। হিন্দী ভাষাতো 'ৰাসলীলা' পৰিৱেশন পৰম্পৰাৰে ভাৰতেন্দু হৰিশ্চন্দ্ৰই নাটক ৰচনা কৰাৰ কথা জনা যায়। অসমতো প্ৰথমখন আধুনিক অসমীয়া সামাজিক নাট 'ৰামনৱমী' (১৮৫৭)ত গুণাভিৰাম বৰুৱাই 'পূজাৰী'ৰ ৰেশত অংকীয়া নাটৰ 'সূত্ৰধাৰ' চৰিত্ৰক উপস্থাপন কৰিছিল। বংগদেশতো ৰবীন্দ্ৰ নাথ ঠাকুৰে পাশ্চাত্য নাট্যৰীতিৰ বিৰোধীতা কৰি জাতীয় ঐতিহ্যৰ ভেটিত এক নব্য মঞ্চৰীতিৰ পোষকতা কৰাৰ কথা তেখেতৰ ১৯০২ চনৰ 'ৰঙ্গময়' প্ৰবন্ধৰ যোগেদি জানিব পৰা যায়।[৫] ৰবীন্দ্ৰ নাথৰ নাটকে জনমানসক আন্দোলিত কৰাৰ মূল কাৰণ হ'ল তেওঁৰ নাটকৰ মূল উপাদান সমূহ জাতীয় লোকসংস্কৃতিৰ পৰা আহৃত। বংগদেশৰ লোকনাট্য 'যাত্ৰা'ৰ পৰা আংগিক গ্ৰহণেৰে ৰবীন্দ্ৰনাথে তেওঁৰ নাটক সমূহ সৃষ্টি কৰিছিল।[৬] বিংশ শতিকাৰ প্ৰথমভাগতে লোকসাহিত্যৰ ভেটিত লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞি বৰুৱাই ৰচনা কৰা লঘুনাট 'লিটিকাই', 'নোমল', 'পাচনি' আৰু 'টেটোন তামুলী' উল্লেখযোগ্য। সেইদৰে উল্লেখযোগ্য মিত্ৰদেৱ মহন্তৰ 'খুকুৰীকণাৰ আঠমঙলা'। বিংশ শতিকাৰ তৃতীয় দশকতে জ্যোতি প্ৰসাদে লোককলা আৰু লোকনাট্যৰ আংগিক পৰীক্ষামূলকভাৱে প্ৰয়োগ কৰি এক 'নতুনযুগীয়া নাটকীয় কাৰিকৰী' উদ্ভাৱনত গুৰুত্ব দিছিল। তেখেতৰ 'শোণিত কুঁৱৰী' আৰু 'নিমাতী কইনা'ত লোককলাৰ সফল প্ৰয়োগ ঘটিছিল। বিশেষকৈ অসমৰ সুৰদীসুৰীয়া লোকসুৰৰ প্ৰয়োগৰ দিশত। পাৰ্বতী প্ৰসাদৰ 'সোণৰ সোলেং' গীতিনাট্যখন উল্লেখযোগ্য সৃষ্টি।

**উত্তৰ স্বাধীন ভাৰতীয় নাটৰ 'ভাৰতীয়ত্ব' নিৰূপন আৰু লোক উপাদান ঃ**

উত্তৰ স্বাধীন ভাৰতীয় নাটকতো প্ৰাচ্য-পাশ্চাত্যৰ নাট্যৰীতিৰ এক সমান্তৰাল ধাৰা গঢ়লৈ উঠা দেখা গ'ল। ইবচেনৰ পৰা আৰম্ভ কৰি ব্ৰেখট, আয়োনস্কোলৈ বহিঃভাৰতীয়



উপাদানে ভাৰতীয় নাটকত ভিৰ কৰা সময়তে ভাৰতৰ বিভিন্ন প্ৰান্তৰ কিছুমান গুৰুত্বপূৰ্ণ নাট্যকৰ্মীয়ে পৰম্পৰাগত নাট্যৰ সূত্ৰ ধৰি ভাৰতীয় নাটকত 'ভাৰতীয়ত্ব' নিৰূপনৰ সাধনাত লাগে। এই দৃষ্টিৰে ধৰ্মবীৰ ভাৰতীৰ 'অন্ধযুগ' (১৯৫৫) নাটকখনি মাইলৰ খুঁটি। মহাকাব্যৰ বৰ্ণনামূলক ৰীতিৰে উপস্থাপিত হোৱা এই নাটকখনিৰ পৰিচালক আলকাজিয়ে দিল্লীৰ ফিৰোজশ্বাহ কোটলাৰ মুক্তাংগনত পৰিৱেশন কৰি ভাৰতীয় নাট্যমোদীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। ইতিমধ্যেই ব্ৰেখটীয় নাট্যশৈলী আন্তঃৰাষ্ট্ৰীয় মঞ্চত সমাদৃত হৈ উঠাত ভাৰতীয় নাট্যকাৰসকলকো লোকনাট্যৰ বৰ্ণনামূলক পদ্ধতি (Narrative Technique of the folk Theatre)ৰ সূত্ৰধাৰ ৰূপী কথক চৰিত্ৰ আদিয়ে বিশেষভাৱে আকৰ্ষিত কৰিবলৈ ধৰিলে। লোকনাট্যৰ এই ঐশ্বৰ্যময় সমলসমূহ সমকালীন ভাৰতীয় নাটকত সফলভাৱে প্ৰয়োগ হ'বলৈ ধৰাত ভাৰতীয় নাটকত 'ভাৰতীয়ত্ব' উজ্বল ৰূপত প্ৰকাশ পাবলৈ ধৰিলে। ৰবীন্দ্ৰনাথৰ মাটিৰ গোন্ধ থকা নাটকসমূহ শম্ভু মিত্ৰই পুনৰ এবাৰ নতুন পদ্ধতিৰে প্ৰযোজনা কৰি ভাৰতীয় থিয়েটাৰৰ ধাৰণাটো সুদৃঢ় কৰি তোলে। 'কুট্টিয়ত্তম' লোকশৈলীৰ আধুনিক প্ৰয়োগ দেখা পোৱা গ'ল অদূৰ গোপাল কৃষ্ণ, জিট অৰবিন্দম, কে এন পানিকৰ আদি দক্ষিণৰ নাট্যব্যক্তিত্বৰ হাতত। সেইদৰে গিৰীশ কাৰ্ণাডৰ 'হয়বদন' যক্ষগানৰ লোকশৈলীত পৰিৱেশিত এখন প্ৰতিনিধিত্বমূলক নাটক।[৭] তেনেদৰে বিজয় তেণ্ডুলকাৰৰ 'ঘাচিৰাম কটোৱাল' মহাৰাষ্ট্ৰৰ লোকনাট্য 'তামচা' কিছু সালসলনিৰে উপস্থাপন কৰা হৈছে। নাটকখনিৰ আংগিক সম্পৰ্কে নাট্যকাৰে এনেদৰে কৈছে— "By a series of incidents I diocovered the Present form which is combination of a variety of ingredients from different folk foram of Maharastra."[৮] লোকনাট্যৰ আংগিক ব্যৱহাৰৰ ক্ষেত্ৰত সবাতোকৈ প্ৰসিদ্ধি লাভ কৰিবলৈ সক্ষম হোৱা নাট্যকাৰজনেই হৈছে হবিব তনবীৰ। উত্তৰ ভাৰতৰ নৌটংকি আৰু লোককলাৰ মূল সূত্ৰসমূহ প্ৰয়োগ কৰি দৈনন্দিন জীৱনৰ কথিত ভাষাক সংলাপ ৰচনাৰ মাধ্যম হিচাপে লৈ তেখেতে পৰিৱেশন কৰা 'চৰণ দাস চোৰ' আৰু 'আগ্ৰাবজাৰ' নাটকে সমকালীন আধুনিক ভাৰতীয় নাটকত এক প্ৰকাৰৰ জোৱাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।

**অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আধুনিক নাটকত শিপাৰ সন্ধান ঃ লোকনাট্য আন্দোলন**

উত্তৰ পূৰ্বাঞ্চলৰ বিশেষকৈ মণিপুৰী আৰু অসমীয়া নাটকত শিপাৰ সন্ধানত বিংশ শতিকাৰ সত্তৰ দশকৰ পৰাই লোকউপাদান প্ৰয়োগত এক বিশেষ সজাগতা পৰিলক্ষিত হয়। এই সজাগতাই আশীৰ দশকৰ পৰা সাম্প্ৰতিক সময়লৈ এক নাট্য আন্দোলনৰ ৰূপপৰিগ্ৰহ কৰিছে। এই প্ৰসংগত আমি পোন প্ৰথমেই নাম ল'ব লাগিব

মণিপুৰৰ আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন নাট্যশিল্পী ৰতন থিয়ামৰ। ৰতন থিয়ামে 'চক্ৰব্যূহ' নাটকত লোককলা 'থাংটা' আৰু অন্যান্য পৰম্পৰাগত লোকনাট্যৰ পৰা আংগিক গ্ৰহণ কৰি পৃথিৱীৰ বিভিন্ন প্ৰান্তত প্ৰায় এশ (১০০) প্ৰদৰ্শনী কৰি উত্তৰ-পূব ভাৰতৰ লোকপৰিৱেশ্য কলাক এক আন্তৰ্জাতিক পৰিচিতি প্ৰদান কৰি ধন্যবাদৰ পাত্ৰ হৈছে। তেখেতৰ 'উত্তৰ প্ৰিয়দৰ্শনী'ত মনিপুৰী লোকসংগীত, বৈষ্ণৱী কীৰ্তনৰ লগতে ৰাগ-সংগীতৰ এক মধুৰ সমন্বয় সাধিত হৈছে। সেইদৰে 'নাইন হিলচ্ ওৱান ভেলি' নাটকত দুজন সংগীৰ যোগেদি মহাকাব্যিক (Epic) শৈলীৰে থলুৱা লোককলাৰ উপাদানৰ সমাহাৰত মনিপুৰী জনসাধাৰণৰ ৰাজনৈতিক দ্বন্দ্বক সাৰ্থকভাৱে উপস্থাপন কৰিছে।

থিয়ামৰ পিছতে আপোন শিপাৰ সন্ধানেৰে মনিপুৰী তথা উত্তৰ পূৰ্বাঞ্চলৰ নাট্যক্ষেত্ৰখনিক উজলাই তোলা আনজান নাট্যকাৰ হৈছে হাইছ্নাম কানহাইলাল। কানহাইলালে মমিপুৰী চহকী পৰম্পৰাগত পৰিৱেশ্যকলা আৰু বসন্ত ঋতুত প্ৰচলিত আচাৰ-অনুষ্ঠানৰ পৰীক্ষামূলক প্ৰয়োগ কৰি এক পৰিৱৰ্তিত নাট্যধাৰাৰ উদ্ভাৱন কৰিছে। মনিপুৰ কলাক্ষেত্ৰৰ যোগেদি তেখেতে 'মেইতেই' জনগোষ্ঠীৰ নৃতাত্ত্বিক সামাজিক পৰম্পৰাক কলাসন্মত ৰূপায়নেৰে কৰা নাট্য প্ৰযোজনাবোৰ বিশেযত্বপূৰ্ণ বুলি বিবেচিত হৈছে। তেখেতে মনিপুৰী লোকসমলৰ সমন্বয় সাধনৰে একোটা মসৃন নাট্যগাঁথনি তৈয়াৰ কৰি ইতিমধ্যেই আন্তঃৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰিছে। এই দৃষ্টিৰে কানহাইলালৰ দ্বাৰা প্ৰযোজিত কিছুমান বিখ্যাত নাটক হ'ল— 'কাবুই কেইঅ'ইবা' ( Half man half tiger), 'লাইগী মাচচিংগা' (With the children of God), 'ৰেচমন', 'নুপীলেন', 'পেবেট', 'দ্ৰৌপদী' ইত্যাদি। কানহাইলালৰ শেহতীয়া পৰিচালনা 'ডাকঘৰ'ৰ বিষয়ে মৈত্ৰেয়ী চেটাৰ্জীয়ে মন্তব্য আগবঢ়াই কৈছে যে উত্তৰ-পূৰ্বাঞ্চলৰ লোক আংগিক, গীত-সুৰ আৰু বিভিন্ন ধৰণৰ সংগীত-বাদ্যৰ উপাদান এই নাটকখনিৰ মাজত নিহিত হৈ আছে। তেখেতৰ 'ৰেচমন' নামৰ নাটতখনিৰ বিষয়ে নাট্য সমালোচক শিশিৰ গুপ্তৰ মন্তব্য এনেধৰণৰ — 'The other presentation of the festival was ' Roshman' of H. Kanhailal combinations of thanghta, sankirtam, several tanstric forms and spiritual symbols done in a absolutely new ediom and language.”[১]

অসমতো শংকৰদেৱৰ সময়ৰ পৰাই লোকনাট্যই নাট্য সাহিত্যৰ ক্ষেত্ৰখনিক সাৰ-পানী যোগাই আহিছে যদিও বিংশ শতিকাৰ সত্তৰ দশকৰ পৰাহে নাটকত লোকসমলৰ প্ৰয়োগৰ দিশত সণ্চালনিকৈ সচেতন প্ৰয়াস আৰম্ভ হয়। ওজাপালি, ঢুলীয়া ভাৱৰীয়া, খুলীয়া ভাওনা, ম'হহো, ভাৰীগান, কুশান গান, নাগাৰা নাম, খেৰাই পূজা, দুবৰ পূজা, হুদুম পূজা, হুচৰি-বিহু, ফাৰকান্তি, বায়খো,পচতি, দেওধনী নৃত্য, পালনাম আদি অনেক



পূৰ্ণাংগ আৰু অৰ্ধ-নাটকীয় অনুষ্ঠানৰ আংগিক আৰু সমলেৰে আধুনিক অসমীয়া নাটকক সমৃদ্ধ কৰি তুলিলে। উত্তৰ স্বাধীন অসমীয়া নাটকত সচেতনভাৱে লোকসমল প্ৰয়োগৰ বাটকটীয়া নাট্যকাৰ গৰাকী হ'ল সত্যপ্ৰসাদ বৰুৱা। তেখেতৰ 'জবলা' আৰু 'মৃণালমাহী'ত লোকনাট্যৰ আংগিক গ্ৰহণৰ নমুনা পোৱা যায়। সূত্ৰধাৰ চৰিত্ৰটোৰ কিছু পৰিমাৰ্জিত ৰূপ দেখা পোৱা যায় দুয়োখন নাটকৰ 'ৰূপলাল' আৰু 'দীপক' চৰিত্ৰ দুটিৰ মাজত। অৰুণ শৰ্মাৰ 'পুৰুষ' নাটকতো ফুটুকা আৰু ক্লাউন চৰিত্ৰ দুটিৰ মাজত সূত্ৰধাৰ আৰু সংগী চৰিত্ৰৰ বৈশিষ্ট্যবোৰ চকুত পৰাকৈ জিলিকি উঠিছে। সেইদৰে লোক চৰিত্ৰ 'বৈৰাগী'ৰ সংযোজন কৰি 'বুৰঞ্জীপাঠ' নাটকখনি ওজাপালিৰ শৈলীৰে আগবঢ়াই নিয়া হৈছে। নাট্যকাৰ আলি হাইদৰৰো ভালেকেইখন নাটত লোকনাট্যৰ আংগিক সচেতনভাৱে প্ৰয়োগ কৰা হৈছে। 'ধুমুহা পখীৰ নীড়', 'যুগসন্ধিৰ কাব্য', 'নৈশযুদ্ধ', 'খৱৰ', 'কুপ্ৰথা' আদি নাটক ইয়াৰ উদাহৰণ। কুপ্ৰথা নাটকত লোকনাট্য শৈলীত 'হুচৰি' দলৰ উপস্থাপন কৰি নাট্যকাহিনী আগবঢ়াই নিয়া হৈছে। হুচৰিৰ যোৰা, পদ, লহৰি, ধেমালি আদিৰে নাট্য কথাবস্তুৰ বিস্তাৰ ঘটিছে। সূত্ৰধাৰ আৰু সংগীৰ ৰূপত ঢুলীয়া আৰু তালীয়া চৰিত্ৰক অন্তৰ্ভুক্ত কৰা হৈছে। মিচিং, বড়োজনগোষ্ঠীয় নৃত্য-গীত, ওজাপালি, দেওধনী নৃত্য আদিয়ে নাটকখনিত বিশেষ নাটকীয় তাৎপৰ্য বহন কৰিছে। আনহাতে জাতীয় সংস্কৃতিৰ প্ৰতি সচেতনতা সৃষ্টিৰ প্ৰয়াস দেখা যায় নাট্যকাৰ যুগল দাসৰ 'বায়নৰ খোল' নাটকত। নতুন প্ৰজন্মক উদ্দেশ্যি বায়নে কোৱা এষাৰ সংলাপতে নাট্যকাৰৰ সমস্ত ভাৱনাৰ যেন বহিঃপ্ৰকাশ ঘটিছে— “নিজৰ ৰীতি-নীতি দা-দস্তুৰ সোপাকে থিতাতে জলাঞ্জলি দিলে আমি ভচুং পহু হ'ব লাগিব। অ ক'ৰাবাত এৰিবও লাগিব, ক'ৰবাত ধৰিবও লাগিব।”

**তালিকা**

| নাট্যকাৰৰ নাম | নাটকৰ নাম | কি লোকসমলৰ প্ৰয়োগ | পৰিচালক |
|---|---|---|---|
| কৰুণা ডেকা | নিৰ্মম পৰ্ব | নাগাৰা নাম | |
| কৰুণা ডেকা | শুনা শুনা সভাসদ | বিয়া নাম | |
| কৰুণা ডেকা | লুইত কন্যা | ওজাপালি | |
| কৰুণা ডেকা | চং | কামৰূপী ঢুলীয়া | |
| ৰফিকুল হুছেইন | কৌৰৱ-পাণ্ডৱ আৰু দৈৱকী | ওজাপালি | |
| বাদল চৌধুৰী | বন্দি মাছৰ গদ্য | কামৰূপী লোকনাট্য | |
| লিয়াকৎ আলী | মোৰ মলুৱাক কোনে মাৰিলে | কামৰূপী লোকনাট্য | |
| অবিনাশ শৰ্মা | আজান | জিকিৰ | |
| জগদীশ পাটৰিগি | অজগৰ | যাত্ৰা পাৰ্টিৰ আংগিক | |
| সীতানাথ লহকৰ | অগ্নিগৰ্ভা | ওজাপালি | |

| | | | |
|---|---|---|---|
| সীতানাথ লহকৰ | কহয় চণ্ডীদাস | নামনি অসমৰ লোকগীত | সীতানাথ লহকৰ |
| সীতানাথ লহকৰ | তমসা | বড়ো লোকনৃত্য | সীতানাথ লহকৰ |
| পংকজজ্যোতি ভূঞা | গুটি ফুলৰ গামোচা | বিহুগীত আৰু নাচ | বিদ্যাৱতী ফুকন |
| মলিয়েৰ | এনাই লোক কতো দেখা নাই | কামৰূপী ঢুলীয়া | জ্যোতিনাৰায়ণ নাথ |
| শুক্রাচাৰ্য ৰাভা | ট'পেইডম | ৰাভা লোককথা | শুক্রাচাৰ্য ৰাভা |
| শুক্রাচাৰ্য ৰাভা | ৰথৰ ৰছী | ৰাভা লোকনৃত্য গীত | শুক্রাচাৰ্য ৰাভা |
| শুক্রাচাৰ্য ৰাভা | ডুমুকচি | ৰাভা নৃত্যগীত | শুক্রাচাৰ্য ৰাভা |
| বসন্ত শইকীয়া | মৃগতৃষ্ণা | Folk Narrative Method | |
| বসন্ত শইকীয়া | মানুহ | Folk Narrative Method | |
| বসন্ত শইকীয়া | অসুৰ | Folk Narrative Method | |
| অখিল চক্রৱৰ্তী | উত্তৰ পুৰুষ | Folk Narrative Method | |
| অখিল চক্রৱৰ্তী | এজন ৰজা আছিল | ভাওনা শৈলী | |
| সতীশ ভট্টাচাৰ্য্য | মহাৰাজা | ওজাপালি লোকনাট্যানুষ্ঠান | |
| আনন্দমোহন ভাগৱতী | জতুগৃহ | সূত্রধাৰ চৰিত্রৰ প্রয়োগ | |
| ফণী তালুকদাৰ | অ'মোৰ মলুৱাবে | বৰপেটাৰ নাওখেলৰ গীত | |
| ফণী তালুকদাৰ | কুৰুৱাই যোৰে ৰাৰ | কামৰূপীলোক গীত | |
| প্রমোদ দাস | হনুমান সাগৰ বান্ধা চাউ | বৰপেটা অঞ্চলৰ থিয় নাম | |
| পৰমানন্দ ৰাজবংশী | নাঙল মাটি আৰু মানুহ | দৰঙৰ খুলীয়া ভাওনা | |
| পৰমানন্দ ৰাজবংশী | চক্রবেহু | দৰঙৰ খুলীয়া ভাওনা | |
| পৰমানন্দ ৰাজবংশী | তেজীমলা | কুশান গান আৰু ভিন্ন লোককলা | |
| পৰমানন্দ ৰাজবংশী | কমলা কুঁৱৰীৰ সাধু | দৰঙৰ নাগাৰা নাম | |
| মুনীন ভূঞা | জবৌৰোৰা পৰজা | ভাওনা, মৰাণ বিহু, উজনি অসমৰ ৰাতিখোৱা সকাম, অনিৰুদ্ধদেৱৰ গীত | |
| মুনীন ভূঞা | হাতী আৰু ফান্দী | হাতী মাউতৰ গীত | |
| আহৰিত কথাবস্তু | গৌড়লীলা | ৰাসলীলা তথা মনিপুৰী লোকবিশ্বাস আৰু আচাৰ | টেজাম শীলাদেৱী |



| | | | |
|---|---|---|---|
| | | অনুষ্ঠানৰ প্রয়োগ | |
| অনুপ হাজৰিকা | ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ আধাৰত মিৰিজীয়ৰী | মিচিং লোকসংস্কৃতিৰ আধাৰত পানে-জংকীৰ প্রেম গাঁথা | |
| অসীম কুমাৰ শৰ্মা | চুপ | পৰম্পৰাগত ভাওনা শৈলী | অসীম কুমাৰ শৰ্মা |
| অসীম কুমাৰ শৰ্মা | বাক (ইমৰান হুচেইনৰ গল্প ভিত্তিক) | লোক কথা আৰু লোক বিশ্বাস আধাৰত | অসীম কুমাৰ শৰ্মা |
| শুক বাহাদুৰ | দ্রোৰা কামু-এক দেৱীকা কহানী (অৰুনাচলী -হিন্দী) | য়াক নৃত্য, লামু নৃত্য, মুখা নৃত্য আদি লোক নৃত্যৰ প্রয়োগ কৰি অৰুণাচলী বৌদ্ধ ধৰ্মালম্বী অঞ্চলৰ ম'মৰ বুৰঞ্জী | শুক বাহাদুৰ |
| শুক বাহাদুৰ | দি লিজেণ্ড অব চৌপান নৰজংগ | বৌদ্ধ লোক-কথা, অৰুনাচলী লোকনৃত্য | শুক বাহাদুৰ |
| নৰেন পাটগিৰি | দিবাকৰৰ আত্মকথা | ভাটীয়ালী গীতৰ সুৰ | |
| দিলীপকুমাৰ বৰুৱা | চৰাইদেউত বিষন্ন প্রহৰ | সূত্রধাৰৰূপী মহাকাল চৰিত্র প্রয়োগ | |
| বসন্ত দাস | থং নকবে | কাৰ্বি কিংবদন্তি | ৰবিজিতা গগৈ |
| পৱিত্র ৰাভা | গাধৰ গাধা সিংহৰ | লক্ষ্মীনাথ বেজবৰুৱা আৰু শৰৎ যোশী গল্পৰ আধাৰত | পৱিত্র ৰাভা |
| পৱিত্র ৰাভা | মুংলী | বড়ো খেৰাই পূজাৰ পটভূমিত চৰিত্র আৰু কাহিনী গঠন | পৱিত্র ৰাভা |
| ৰয়ন্তী ৰাভা | বীছমীতা | ৰাভা লোকনৃত্য আৰু গীত | ৰয়ন্তী ৰাভা |
| দিবাকৰ পেগু | আকাশৰ দৰে নদী | মিচিংলোক জীৱন আলেখ্য, ডুবৰ পূজাৰ পটভূমিত কাহিনী গঠন | |
| ধৰ্মেন্দ্ৰ উপাধ্যায় | কঠপুতলী | নেপালী লোককাহিনী, গীত আৰু সুৰ | বিনোদ খানাল |
| হিৰণ্য সভাপণ্ডিত | অৰণ্য কথা | অসমীয়া লোক সুৰীয় গীতৰ প্রয়োগ | হিৰণ্য সভাপণ্ডিত |
| আহৰিত কথাবস্তু | দু-কন (গাৰো ভাষা) | গাৰো জনবিশ্বাস এটিক আধাৰ হিচাপে লৈ আধুনিক সভ্যতাৰ সংকটক | পৱিত্র ৰাভা |

| | | |
|---|---|---|
| | উপস্থাপন কৰা হৈছে। | |
| ক'নিঙ ক'দুন মাখুঙ্গা আলটেবা (মাৰিং ভাষা) | মনিপুৰৰ মাৰিং জনগোষ্ঠীৰ পৰম্পৰাগত কৃষ্টি আৰু সাধুকথা। | ড° এছ লেইমা |
| সপোন জ্যোতি ঠাকুৰ | বাঘময় চীনা লোক কথা, হাইদাংগীত | সপোন জ্যোতি ঠাকুৰ |
| গুনাকৰ দেৱগোস্বামী সতী | অংকীয়া ভাওনা আৰু ওজাপালি | গুনাকৰ দেৱগোস্বামী |
| গুনাকৰ দেৱগোস্বামী তুলা আৰু তেজা | লোককথা | গুনাকৰ দেৱগোস্বামী |
| গুনাকৰ দেৱগোস্বামী জেৰেঙা | অংকীয়া ভাওনা শৈলী | গুনাকৰ দেৱগোস্বামী |
| গুনাকৰ দেৱগোস্বামী বীৰংগনা | ওজাপালি, অংকীয়া ভাওনা, ভ্ৰমৰীৰাগ, গুঞ্জৰীৰাগ, দেওধনী ইত্যাদি। | গুনাকৰ দেৱগোস্বামী |
| গুনাকৰ দেৱগোস্বামী অভিজ্ঞানম | ওজাপালি সত্ৰীয়া | গুনাকৰ দেৱগোস্বামী |
| গুনাকৰ দেৱগোস্বামী পাণ্ডৱৰ পাঁচালী | ওজাপালি | গুনাকৰ দেৱগোস্বামী |
| গুনাকৰ দেৱগোস্বামী ওজা ফানুচ | ওজাপালি, সত্ৰীয়া | গুনাকৰ দেৱগোস্বামী |
| গুনাকৰ দেৱগোস্বামী দেওধাই | ওজাপালি, সত্ৰীয়া | গুনাকৰ দেৱগোস্বামী |
| গুনাকৰ দেৱগোস্বামী অভিসাৰ | লোকশৈলী | গুনাকৰ দেৱগোস্বামী |

আলোচনাত ইতিপূৰ্বে উল্লিখিত নাটক সমূহৰ তথ্য তালিকাভুক্ত কৰা হোৱা নাই।

লোক উপাদানৰ প্ৰয়োগৰ দিশেৰে আমি উত্থাপন কৰা এই তালিকাখন আৰু অধিক বিস্তৃত হোৱাৰ থল আছে। সাম্প্ৰতিক সময়ত লোক-নাট্য শৈলীৰে প্ৰযোজিত হোৱা বেছিভাগ নাটকেই অপ্ৰকাশিত অৱস্থাত আছে। তদুপৰি ব্যক্তিগত উদ্যোগত সকলোবোৰ প্ৰদৰ্শনী চোৱাও সম্ভৱপৰ নহয়।

**উপসংহাৰ ঃ**

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে সাম্প্ৰতিক নাট্যক্ষেত্ৰখনিত বিভিন্ন



জাতি-জনগোষ্ঠীয় লোকসমলক লৈ নাটক ৰচনা আৰু পৰিচালনাৰ এক ব্যাপক প্ৰচেষ্টা চলিব লাগিছে। লোক নাট্যশৈলীৰে প্ৰযোজিত বহুবোৰ নাট্য নিৱেদন স্ব-চক্ষুৰে প্ৰত্যক্ষ কৰি আমাৰ অনুভৱ হৈছে যে নাটকত লোকসমলৰ প্ৰয়োগৰ বিষয়টোৱে নতুন নাট্যকাৰ আৰু পৰিচালক সকলৰ গভীৰ মননশীলতা আৰু গৱেষণাৰ দাবী কৰে। নাটকত লোকআংগিক আৰু কথাবস্তু পানীত চেনী দ্ৰবীভূত হোৱাৰ দৰে হ'ব লাগে। ইয়াকে নহ'লে কেৱল লোককলাকে নাটকৰ নামত পৰিৱেশ্য ৰূপত দাঙি ধৰিলে নাট্যগুণ হ্ৰাস হোৱাৰ সম্ভাৱনাই অধিক। নাটক আৰু সাংস্কৃতিক আলেখ্যৰ মাজত থকা প্ৰভেদক সততে আমি গণি চোৱাটোও সমানে প্ৰয়োজনীয়।

**প্ৰসংগ সূত্ৰ আৰু গ্ৰন্থপঞ্জী ঃ**


১। নান্দিকেশ্বৰ কৃত অভিনয় দৰ্পণ (অনু.) নাথ শাস্ত্ৰী। অশোক। নৱপত্ৰ প্ৰকাশন। কলকাতা। ১৯৯১।

২। শৰ্মা, নবীন চন্দ্ৰ ঃ অসমীয়া লোকনাট্য পৰম্পৰাঃ উত্তৰণ-উদ্ভাৱন। অসমীয়া নাটকঃ পৰম্পৰা আৰু পৰিৱৰ্তন। সম্পাদনা। ৰাজবংশী, পৰমানন্দ। চন্দ্ৰ প্ৰকাশ। পৃ.-৬-৭।

৩। গোস্বামী, ৰামঃ অসমৰ লোকনাট্য। অসম সাহিত্য সভা। ১৯৯১। পৃ. ৭-৮।

৪। প্ৰাগুক্ত গ্ৰন্থ ঃ পৃ.- ১০-১১।

৫। বৰুৱা, প্ৰাণজিৎ ঃ আলি হাইদৰ নাটকত লোকনাট্যকলাৰ প্ৰয়োগ। অক্লান্ত আলি হাইদৰ। সম্পা. ৰাজখোৱা, অৰবিন্দ। ২০১২। পৃ.৯৭।

৬। পাটগিৰি, জগদীশ ঃ লোকনাট্য আৰু অসমীয়া নাটক। নাটকৰ ব্যৱহাৰিক দিশ সম্পা.। পাটগিৰি, জগদীশ। চক্ৰৱৰ্তী, অখিল। অসম সাহিত্য সভা। পৃ.- ১৩৪।

৭। প্ৰাগুক্ত গ্ৰন্থ, পৃ.- ১৩৪-১৩৫।

৮। সভাপণ্ডিত, হিৰণ্য ঃ ভাৰতীয় সমাজ বাস্তৱতাৰ আধুনিক ৰূপকাৰ- বিজয় টেণ্ডুলকাৰ। দেওবৰীয়া সম্ভাৰ। ২২ জুন। ২০০৮।

৯। দত্ত, অতুল ঃ হাইচনাম কানাইলাল ঃ এনাজৰী সম্পা. সভা পণ্ডিত, হিৰণ্য। ৰাজখোৱা, অৰবিন্দ। অসম সাহিত্য সভা- অসম নাট্য সন্মিলন। ২০১০. পৃ. ৭১-৭৪।

# অসমীয়া ভাষা সাহিত্য সংস্কৃতি

পৰম্পৰা আৰু পৰিৱৰ্তন

Purbayon Publication
Guwahati | Assam | India
purbayonindia21@gmail.com
www.purbayonpublication.com
cover : sanjib bora www.sanjibbora.com
ISBN 978-93-87263-77-2
9 789387 263772